NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 5**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নাবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

২। বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়।

৩। ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 ৰ জৰিয়তে আজি শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থাৰ **প্ৰোৱা থ্ৰী** কৃত্ৰিম উপগ্ৰহ দুটা সফলতাৰে উৎক্ষেপন কৰা হয়।

৪। দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুক আৰু ৰাণী জেতচুন পেমা ৱাংচুক আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে।

***আৰু***

৫। ব্ৰিছবেনত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ তিনিখনীয়া এদিনীয়া মহিলা ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৫ উইকেটত পৰাস্ত কৰে।

00000000

বিজেপিৰ জ্যেষ্ঠ নেতা দেৱেন্দ্ৰ ফাড়নাবিছে আজি তৃতীয়বাৰৰ বাবে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। শিৱসেনাৰ একনাথ সিন্দে আৰু ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টীৰ অজিত পাৱাৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। উল্লেখযোগ্য যে বিজেপি-শিৱসেনা-এন চি পি মিত্ৰজোঁটে মহাৰাষ্ট্ৰত অলপতে হৈ যোৱা বিধানসভা নিৰ্বাচনত ২৮৮ খন আসনৰ ভিতৰত ২৩০ খন আসন লাভ কৰিছে।

মুম্বাইৰ ঐতিহাসিক আজাদ ময়দানত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাজ্যপাল চি পি ৰাধাকৃষ্ণণে শ্ৰীফাড়নাবিছক পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। মুখ্যমন্ত্ৰীৰ লগতে উপ-মুখ্যমন্ত্ৰীদ্বয় আৰু অন্যান্য কেবিনেট মন্ত্ৰীসকলেও শপতগ্ৰহণ কৰে।

উল্লেখযোগ্য যে শ্ৰীফাড়নাবিছক কালি সৰ্বসন্মতি ক্ৰমে বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, এন ডি এ শাসনাধিস্থিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী আৰু কেন্দ্ৰীয় মন্ত্ৰীসকল এই শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

শিৱসেনা আৰু এন চি পিৰ বাহিৰেও ৰাষ্ট্ৰীয় সমাজপক্ষ, জনসূৰ্য শক্তি দল, যুৱ স্বাভিমান পক্ষৰ ৰবি ৰানা আৰু দুগৰাকী নিৰ্দলীয় বিধায়কে মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিছলৈ সমৰ্থন আগবঢ়ায়।

00000000

কংগ্ৰেছৰ শীৰ্ষ নেতা আৰু সম্বলৰ হিংসাত্মক ঘটনা সন্দৰ্ভত বিজেপিৰ সাংসদ নিশিকান্ত ডুবেই উত্থাপন কৰা অভিযোগক লৈ বিৰোধী পক্ষই সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰখা হয়। ইয়াৰ আগেয়ে হুলস্থূলীয়া পৰিৱেশৰ বাবে লোকসভা ২ বজা পৰ্যন্ত স্থগিত ৰখাৰ পাছত পুনৰ ৩ বজাত সদন মিলিত হয় আৰু ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'লৱে সংশোধিত বিধেয়ক ২০২৪ৰ ওপৰত হোৱা বিতৰ্কৰ উত্তৰ দিবলৈ চেষ্টা কৰে। কিন্তু বিৰোধী পক্ষৰ সাংসদসকলৰ ধাৰাবাহিক বিৰোধ আৰু হুলস্থূলীয়া পৰিৱেশৰ বাবে সদন দিনটোৰ বাবে স্থগিত কৰা হয়। শূন্যকালত ফ্ৰান্সৰ এটা প্ৰকাশনৰ প্ৰতিবেদনৰ উদ্ধৃতি দি শ্ৰী ডুবেই কয়, যে এনেধৰণৰ শক্তিসমূহে দেশৰ সংসদ আৰু অৰ্থ ব্যৱস্থাৰ উন্নয়নৰ গতি বিঘ্নিত কৰাৰ বাবে চেষ্টা চলাই আছে। তেওঁ লগতে ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীকে ধৰি কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ একাংশ নেতাই নিজৰ ছ'চিয়েল মিডিয়া হেণ্ডেলত এনেধৰণৰ প্ৰতিবেদন পোষ্ট কৰা বুলি অভিযোগ তোলে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে আৰু অন্য দলৰ সদস্যসকলে এটা আগশাৰীৰ ব্যৱসায় গোষ্ঠীৰ উৎকোচ কাণ্ড আৰু সম্বলৰ হিংসাৰ ঘটনাক লৈ সদনত হুলস্থূলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে।

ৰাজ্যসভাতো ফৰাচী প্ৰকাশনৰ প্ৰতিবেদনৰ বিষয়টো উত্থাপন কৰা হয়। শূন্যকালত বিজেপি সাংসদ সুধাংশু ত্ৰিবেদীয়ে বিষয়টো উত্থাপন কৰি বিদেশৰ পৰা ৰাষ্ট্ৰীয় স্বাৰ্থৰ বিৰুদ্ধে সন্দেহজনক আক্ৰমণৰ অভিযোগ তোলে। তেওঁ কয়, যে যোৱা তিনিটা বছৰত সংসদৰ অধিৱেশন অনুষ্ঠিত হোৱাৰ সময়তে এনেধৰণৰ প্ৰতিবেদন প্ৰকাশ পোৱা পৰিলক্ষিত হৈ আহিছে। সাংসদগৰাকীয়ে লগতে কয়, যে ভাৰতে বিকশিত ভাৰত গঢ়াৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ পাছৰে পৰা দেশৰ অৰ্থ ব্যৱস্থা, নৈতিকতা আৰু সামাজিক দিশক লক্ষ্য কৰি বিদেশৰ পৰা ভালেমান কাম-কাজ চলোৱা দেখা গৈছে। শ্ৰী ত্ৰিবেদীয়ে বিষয়টো উত্থাপন কৰাৰ সময়ত উচ্চ সদনৰ সভাপতি জগদীপ ধনখড়ে বিষয়টো গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰে আৰু সাংসদগৰাকীক নিৰ্ধাৰিত সময়ৰ উপৰি বক্তব্য ৰখাৰ অনুমতি প্ৰদান কৰে। বিৰোধী পক্ষৰ সাংসদসকলে সভাপতিৰ এই সিদ্ধান্তৰ বিৰোধিতা কৰে। সভাপতিয়ে বিৰোধী পক্ষৰ সাংসদসকলকো বক্তব্য ৰখাৰ অনুমতি প্ৰদান কৰা হ'ব বুলি আশ্বাস দিয়ে যদিও বিৰোধী সাংসদসকল শান্ত নোহোৱাত সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। বৰ্তমান ৰাজ্যসভাৰ কাৰ্যক্ৰমণিক অব্যাহত আছে।

oooooooo

ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ইছৰোৰ নৱতম মহাকাশ যান PSLV-C59 ৰ জৰিয়তে আজি বিয়লি ৪ বাজি ৪ মিনিটত শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা ইউৰোপীয় মহাকাশ সংস্থাৰ **প্ৰোবা থ্ৰী** কৃত্ৰিম উপগ্ৰহ দুটা সফলতাৰে উৎক্ষেপন কৰা হয়। উৎক্ষেপনৰ পাছত সামাজিক মাধ্যমযোগে ভাৰতীয় মহাকাশ সংস্থাই প্ৰকাশ কৰে যে, PSLV-C59 ৰ জৰিয়তে ইছৰোৰ কাৰিকৰী বিশেষজ্ঞই নিউস্পেচ ইণ্ডিয়া লিমিটেডৰ নেতৃত্বত ইউৰোপীয় মহাকাশ সংস্থাৰ উপগ্ৰহ **প্ৰোবা থ্ৰী** সফলতাৰে উৎক্ষেপন কৰে। উল্লেখযোগ্য যে নিউস্পেচ ইণ্ডিয়া লিমিটেড হৈছে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ বাণিজ্যিক শাখা।

বিশ্বৰ ভিতৰতে প্ৰথম এই প্ৰোবা থ্ৰীত থকা উপগ্ৰহ দুটা কক্ষপথত উপনীত হোৱাৰ পাছত দুভাগত বিভক্ত হ'ব। এই উপগ্ৰহসমূহে সৌৰ মুকুট, ইয়াৰ চৌপাশৰ বাতাবৰণ, মহাকাশৰ বতৰ আৰু সৌৰ বতাহৰ অধ্যয়ন কৰিব।

oooooooo

ভূটানৰ ৰজা জিগমে খেছৰ নামগ্যাল ৱাংচুক আৰু ৰাণী জেতচুন পেমা ৱাংচুক আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰে। সাক্ষাৎকালত মোদীয়ে ভূটানৰ বিকাশ আৰু আঞ্চলিক উন্নয়নৰ বাবে জিগমে খেছৰ নামগ্যাল ৱাংচুকৰ দৃষ্টিভংগীক প্ৰশংসা কৰে। সামাজিক মাধ্যমযোগে প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰত আৰু ভূটানৰ মাজত থকা অনন্য আৰু চিৰস্থায়ী অংশীদাৰিত্ব আগবঢ়াই নিবৰ বাবে দুয়োখন দেশেই প্ৰতিশ্ৰুতিবদ্ধ। উল্লেখযোগ্য যে, আজি পুৱা ভূটানৰ ৰজা আৰু ৰাণী দুদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হয়। বিদেশমন্ত্ৰী ড° এছ জয়শংকৰে তেওঁলোকক বিমান বন্দৰত আদৰণি জনায়।  ভাৰত আৰু ভূটানৰ মাজত বন্ধুত্ব আৰু সহযোগিতাৰ অনন্য সম্পৰ্ক আছে আৰু পাৰস্পৰিক বুজাপৰা আৰু বিশ্বাস এই সম্পৰ্কৰ মূল বৈশিষ্ট।

oooooooo

লোকসভাত বৰ্ষাকালীন অধিৱেশনত গৃহীত হোৱা ভাৰতীয় বায়ুযান বিধেয়ক ২০২৪ সন্দৰ্ভত আজি ৰাজ্যসভাত আলোচনা কৰা হয়। এই বিধেয়কখনে কেন্দ্ৰীয় চৰকাৰক বিমানৰ নক্সা, প্ৰস্তুতকৰণ, উৎপাদন, ৰক্ষণাবেক্ষণ, বিক্ৰী, আমদানী-ৰপ্তানি আৰু বিমান পৰিবহনৰ নিৰাপত্তা ব্যৱস্থা সুৰক্ষিত কৰাৰ ক্ষেত্ৰত অধিকাৰ প্ৰদান কৰিব। ইয়াৰ লগতে বিমান দুৰ্ঘটনা বা যিকোনো ঘটনাকে অনুসন্ধান কৰিবলৈও চৰকাৰক এই বিধায়কখনে অধিকাৰ প্ৰদান কৰিব।

বিজেপিৰ শম্ভু চৰণে এই আলোচনাকালত অংশগ্ৰহণ কৰি কয়, যে বিমান পৰিবহন ক্ষেত্ৰখনত যথেষ্ট উন্নয়ন সাধন হৈছে। তেওঁ নগতে কয়, যে ২০১৪ চনৰ ৭৪ টা বিমান বন্দৰৰ সংখ্যা বৃদ্ধি হৈ ২০২৪ চনত ১৫৭টা হৈছেগৈ লগতে দেশীয় বিমানযাত্ৰীৰ সংখ্যাও আগতকৈ বৃদ্ধি পাইছে। অসামৰিক বিমান পৰিহন মন্ত্ৰী ৰামমোহন নাইডুয়ে কয়, যে এই বিধেয়কখনে বিমান পৰিবহনৰ নক্সা, প্ৰস্তুতকৰণ আৰু ৰক্ষণাৱেক্ষণৰ সংজ্ঞা নিৰ্ণয় কৰিব আৰু অসামৰিক বিমান পৰিবহন উদ্যোগক আইনী পৰিকাঠামোৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব।

oooooooo

নতুন দিল্লীৰ প্ৰগতি ময়দানৰ ভাৰত মণ্ডপমত কাইলৈৰ পৰা তিনি-দিনয়াকৈ অষ্টলক্ষ্মী মহোৎসৱ অনুষ্ঠিত হ'ব। উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়, উত্তৰ পূব হস্তশিল্প আৰু হস্ততাঁত উন্নযন নিগম লিমিটেড আৰু ইনভেষ্ট ইণ্ডিয়াই প্ৰথম বাৰৰ বাবে আয়োজন কৰা এই মহোৎসৱত উত্তৰ পূৰ্বাঞ্চলৰ শিল্প কলা, চহকী বৈচিত্ৰ্য আৰু সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শন কৰা হ'ব। অষ্টলক্ষ্মী ৰূপে পৰিচিত উত্তৰ পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যই দেশৰ সামাজিক, সংস্কৃতিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। এই মহোৎসৱৰ সময়ছোৱাত বিভিন্ন ক্ষেত্ৰত অঞ্চলটোৰ অপাৰ সম্ভাৱনা আৰু জীৱন্ত সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভালেমান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। মহোৎসৱৰ অংশ হিচাপে অসমৰ প্ৰিয়ংকা ডি পাটোৱাৰী, অৰুণাচল প্ৰদেশৰ জেঞ্জুম গড়ি, মেঘালয়ৰ ডেনিয়েল চিয়েম, মণিপুৰৰ ৰিছানা খুনমাস্থেমকে ধৰি উত্তৰ পূৰ্বাঞ্চলৰ ভালেকেইগৰাকী আগশাৰীৰ ডিজাইনাৰৰ ফেশ্বন শ্ব'ৰো দিহা কৰা হৈছে।

oooooooo

২০২২ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা ২০২৩ বৰ্ষৰ মাৰ্চ মাহলৈ উদ্যোগসমূহৰ বাৰ্ষিক জৰীপৰ ফলাফল আজি ঘোষণা কৰা হয়। পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰ্যালয়ে আজি এই বছৰেকীয়া ফলাফল প্ৰকাশ কৰে। এই বছৰেকীয়া

জৰীপেই হৈছে দেশৰ তথ্যসমূহৰ সন্দৰ্ভত সঠিক তথ্য লাভ কৰাৰ প্ৰধান উৎস বুলি পৰিসংখ্যা আৰু কাৰ্যসূচী ৰূপায়ণ মন্ত্ৰী ৰাও ইণ্ডৰজিতে জানিবলৈ দিয়ে।

০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰতি তিনি কিলোমিটাৰ এলেকাত এটা ডাকঘৰ নিৰ্মাণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ কথা প্ৰকাশ কৰে। ৰাজ্যসভাত আজি যোগাযোগ ৰাজ্য মন্ত্ৰী চন্দ্ৰশেখৰ প্ৰেম্মাচানীয়ে এটা প্ৰশ্নৰ উত্তৰত  কয়, যে বিগত ১০ বছৰত ১০ হেজাৰ ৫০০ টা নতুন ডাকঘৰ নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰে ৯০ শতাংশ গ্ৰাম্যাঞ্চলত। তেওঁ আৰু উল্লেখ কৰে যে, ৫ হাজাৰতকৈও অধিক নতুন ডাকঘৰ বাঁওপন্থী উগ্ৰবাদ প্ৰভাবিত অঞ্চলত নিৰ্মাণ কৰা হৈছে। শ্ৰী প্ৰেম্মাচানীয়ে স্পষ্ট কৰি কয়, যে বিগত ৫ বছৰত ডাকঘৰৰ কোনো কৰ্মচাৰী হ্ৰাস কৰা হোৱা নাই। তেওঁ জনায় যে, বৰ্তমান সমগ্ৰ দেশৰ এক লাখ ৬৫ হাজাৰ ডাকঘৰত ৫০ হাজাৰ কৰ্মচাৰী নিয়োগ হৈ আছে।

০০০০০০০০

ব্ৰিছবেনত অনুষ্ঠিত ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ তিনিখনীয়া এদিনীয়া মহিলা ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই ভাৰতক ৫ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৬ অভাৰ দুটা বলত পাঁচ উইকেটৰ বিনিময়ত অতি সহজে ১০১ ৰানৰ লক্ষ্যত উপনীত হয়। অষ্ট্ৰেলিয়াৰ জৰ্জিয়া ভলে সৰ্বাধিক ৪৬ ৰান কৰি অপৰাজিত হৈ থাকে। ইয়াৰ পূৰ্বে ভাৰতে টছত জিকি বেটিং কৰিবলৈ লৈ ৩৪ অভাৰ ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১০০ ৰান সংগ্ৰহ কৰে। শৃংখলাৰ দ্বিতীয়খন খেল অহা ৮ ডিচেম্বৰত ব্ৰিছবেদনত অনুষ্ঠিত হ'ব।

০০০০০০০০

সমাপ্ত